**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-09-2024
**Time :** 1205 Hrs.

***Assamese Bulletin***
-----------------------------

PM MAHARASTRA/AIR (20-09-2024, Morn.)

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰৰ ৱৰ্ধাত পি এম বিশ্বকৰ্মা আঁচনিৰ এবছৰ সম্পূৰ্ণ হোৱা উপলক্ষে ৰাষ্ট্ৰীয় ‘পি এম বিশ্বকৰ্মা’ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। অনুষ্ঠানত শ্ৰী মোডীয়ে প্ৰধানমন্ত্ৰী বিশ্বকৰ্মা আঁচনিৰ হিতাধিকাৰীসকলক প্ৰমাণ পত্ৰ আৰু ঋণ মোকলাই দিব। এই আঁচনিৰ অধীনত শিল্পীসকলক দিয়া প্ৰতিশ্ৰুতিৰ প্ৰতীক হিচাপে তেওঁ পি এম বিশ্বকৰ্মাৰ অধীনত ১৮টা খণ্ডৰ ১৮জন হিতাধিকাৰীক ঋণ প্ৰদান কৰিব। এই আচনিৰ সৈতে সংগতি ৰাখি শ্ৰী মোদীয়ে এটা স্মাৰক ডাকটিকটো মুকলি কৰিব।

অসমৰ দুটা প্ৰশিক্ষণ কেন্দ্ৰকে ধৰি দেশৰ মুঠ ৫০ টা প্ৰশিক্ষণ কেন্দ্ৰত পি এম বিশ্বকৰ্মা কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে। গুৱাহাটীৰ পাঞ্জাবাৰীৰ বিপণন ক্ষেত্ৰত সাংসদ বিজুলী কলিতা মেধিয়ে পি এম বিশ্বকৰ্মা কাৰ্যসূচীত অংশ লৈছে। আনহাতে নগাঁৱৰ পানীগাঁৱত মন্ত্ৰী পীযুষ হাজৰিকাই এই উপলক্ষে আয়োজিত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ooooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় যে, চৰকাৰে ২০২৬ চনৰ মাৰ্চ মাহৰ পূৰ্বে দেশৰ পৰা নক্সালবাদ আৰু নক্সালবাদৰ ধাৰণা নিশেষ কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। নতুন দিল্লীত থকা নিজা বাসভৱনত আজি ছত্তিশগড়ৰ নক্সালবাদী হিংসাৰ বলি হোৱা প্ৰায় ৫৫ জন লোকৰ সৈতে মত বিনিময় কৰি কেন্দ্ৰীয়মন্ত্ৰীগৰাকীয়ে এই কথা উল্লেখ কৰে। তেওঁ কয় যে, বাস্তাৰৰ চাৰিখন জিলাৰ বাহিৰে সমগ্ৰ দেশতে নক্সালবাদৰ অন্ত পেলোৱাৰ প্ৰক্ৰিয়াত কেন্দ্ৰীয় চৰকাৰ সফল হৈছে। তেওঁ লগতে নক্সালসকলক হিংসা ত্যাগ কৰি আত্মসমৰ্পণ কৰিবলৈও আহ্বান জনায়। উল্লেখযোগ্য যে চৰকাৰৰ এই আহ্বানক যিসকলে অৱজ্ঞা কৰে তেওঁলোকৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিব বুলিও শ্ৰী শ্বাহে উল্লেখ কৰে।

ooooooo

কেন্দ্ৰীয় ড’নাৰ ৰাজ্যমন্ত্ৰী ড০ সুকান্ত মজুমদাৰ আজি এদিনীয়া কাৰ্যসূচীৰে গুৱাহাটীলৈ আহিছে। মন্ত্ৰীগৰাকীয়ে পুৱাৰ ভাগত চাংসাৰিত থকা ৰাষ্ট্ৰীয় ভেষয্য শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান, নাইপাৰত চেণ্ট্ৰেল

এনিমেল ফেচিলিটী আৰু ইনভিট্ৰো ড্ৰাগ টেষ্টিং ফেচিলিটী মুকলি কৰে। বিয়লি চাৰে তিনি বজাত মন্ত্ৰীগৰাকীয়ে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ব্ৰহ্মপুত্ৰ অধ্যয়ন কেন্দ্ৰৰ এটা ভৱন মুকলি কৰিব।

0000000

শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি চিৰাং জিলাৰ বামুন গাঁৱৰ বিৰাঝৰাত জনজাতি পৰিক্ৰমা বিভাগৰ পুঁজিৰে নিৰ্মিত এখন আৰ চি চি চেল সেতু উদ্বোধন কৰে। অনুষ্ঠানত শিক্ষামন্ত্ৰীগৰাকীৰ সৈতে কোকৰাঝাৰ লোকসভা সমষ্টিৰ সাংসদ জয়ন্ত বসুমতাৰী উপস্থিত থাকে। শ্ৰী পেগুৱে এই সেতুখনে অঞ্চলটোৰ যাতায়তৰ লগতে বাণিজ্য আৰু অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি উল্লেখ কৰে। ইয়াৰ পাছতে তেওঁ আমগুৰিত এখন আই-টি-আই মুকলি কৰাৰ কথা। তেওঁ লগতে আমলাইগুৰিত এখন ইকো-টুৰিজিম উদ্যান মুকলি কৰাৰ লগতে এটা অতিথিশালাও উদ্বোধন কৰিব। বিয়লি তেওঁ জিলাখনৰ বেংতল গেটত থকা চিৰাং জিলা ট্ৰাইবেল সংঘৰ নৱনিৰ্মিত কাৰ্যালয় উদ্বোধন কৰিব। মন্ত্ৰীগৰাকীয়ে আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত শিক্ষা বিভাগৰ এখন পৰ্যালোচনা সভাতো অংশ ল'ব।

0000000

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে চলিত মাহৰ ২২ৰ পৰা ২৫ তাৰিখৰ ভিতৰত অসম, পূব মধ্য প্ৰদেশ, ছত্তিশগড়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, অৰুণাচল প্ৰদেশ আৰু মেঘালয়ৰ ঠাই বিশেষে প্ৰবল বৰষুণ হোৱাৰ সম্ভাৱনা প্ৰকাশ কৰিছে। বিভাগৰ তথ্য অনুসৰি একেটা সপ্তাহৰ ভিতৰত গোৱা, মাৰাথৱাড়া, ৰায়ালাসীমা, উত্তৰ কৰ্ণাটক আদি অঞ্চলত মধ্যমীয়াৰ পৰা মূষলধাৰ বৰষুণৰ আগলিবতৰা দিছে। ইপিনে তামিলনাডু, পুডুচেৰী আৰু কাৰাইকালত আজিও গৰম আৰু আৰ্দ্ৰ বতৰ অব্যাহত থাকিব বুলি বিভাগে জানিবলৈ দিছে।

0000000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে অংশকালীন সংবাদদাতা হিচাপে বজালী, বিশ্বনাথ, ডিব্ৰুগড়, হোজাই, কামৰূপ, পশ্চিম কাৰ্বি আংলং, ধেমাজি আৰু কাছাৰ জিলাৰ বাবে আগ্ৰহী প্ৰাৰ্থীৰ পৰা আবেদন আহ্বান কৰিছে। আগ্ৰহী প্ৰাৰ্থীসকলে আকাশবাণীৰ ৱেৱছাইট www.newsonair.gov.in ত লগ ইন কৰি সবিশেষ তথ্য লাভ কৰাৰ লগতে আবেদন পত্ৰ ডাউনলোড কৰিব পাৰিব। প্ৰাৰ্থীসকলে নিজ হাতে নাইবা ডাকযোগে অহা ৩০ ছেপ্তেম্বৰৰ ভিতৰত প্ৰয়োজনীয় নথিপত্ৰসহ The Head of Office, Akashvani, Guwahati, Chandmari, Guwahati-781003 এই ঠিকনালৈ আবেদন-পত্ৰ প্ৰেৰণ কৰিব পাৰিব।

0000000

বিৰোধী ঐক্যমঞ্চ, অসমে আজি স্মাৰ্ট মিটাৰ প্ৰত্যাহাৰ কৰাৰ দাবীৰে গুৱাহাটীৰ বিজুলী ভৱন ঘেৰাও কৰিব। এই অনুষ্ঠানত প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা, ৰাজ্যসভাৰ সাংসদ অজিত ভূঞা, অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ৰাইজৰ দলৰ সভাপতি অখিল গগৈ আৰু বিৰোধীৰ অন্য নেতাসকলে অংশগ্ৰহণ কৰিব।

০০০০০০০

সমাপ্ত